**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজত উদ্ভাৱন, প্ৰযুক্তি তথা শিক্ষাৰ ক্ষেত্ৰত যৌথ সহযোগিতাৰ পৰিসৰ বৃদ্ধিৰ বিষয়টো অতি উৎসাহজনক বুলি মন্তব্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ সৈতে বাণিজ্য, প্ৰতিৰক্ষাকে ধৰি বিভিন্ন বিষয়ত মত বিনিময় কৰি যৌথ সহযোগিতাত গুৰুত্ব আৰোপ কৰিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে।
অসমত ভোগালী বিহু, তামিলনাডুত পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে এই উৎসৱ উদযাপিত হৈছে।

৪। নতুন দিল্লীত আজি কমনৱেল্‌থৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াৰ ২৮ সংখ্যক অধিৱেশন অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটত অনুষ্ঠিত হ'ব।

০০০০০

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ কূটনৈতিক উপদেষ্টা ইমানুৱেল বনেই কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰে। এই সন্দৰ্ভত সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে প্ৰকাশ কৰে যে কূটনৈতিক উপদেষ্টাগৰাকীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজত ঘনিষ্ঠ সহযোগিতাৰ মাধ্যমেৰে বিভিন্ন ক্ষেত্ৰত থকা শক্তিশালী তথা বিশ্বস্ত কৌশলগত অংশীদাৰিত্ব সুদৃঢ় ৰখাৰ কথা সুনিশ্চিত কৰিছে। শ্ৰীমোদীয়ে লগতে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ উদ্ভাৱনৰ বিশেষ বৰ্ষটোত উদ্ভাৱন, প্ৰযুক্তি আৰু শিক্ষাৰ ক্ষেত্ৰত যৌথ সহযোগিতাৰ পৰিসৰ বৃদ্ধিৰ বিষয়টো অতি উৎসাহজনক বুলি অভিহিত কৰে। দুয়োগৰাকী নেতাই কালি কেইবাটাও স্থানীয় তথা গোলকীয় বিষয়ক লৈ মত বিনিময় কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ ভাৰত ভ্ৰমণলৈ বাট চাই ৰোৱা বুলি শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে কালি আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ সৈতে টেলিফোনিক বাৰ্তালাপত বাণিজ্য, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, পাৰমাণৱিক শক্তি আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতত আমেৰিকাৰ নৱনিযুক্ত ৰাষ্ট্ৰদূত চাৰ্জিঅ' গৰে বাণিজ্য বিষয়ত দুয়োপক্ষৰ মাজত যোগাযোগ

হ’ব বুলি কোৱাৰ এদিন পিছতে দুয়ো জন নেতাৰ মাজত এই বাৰ্তালাপ সম্পন্ন হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ শ্ৰী ৰুবিঅ’ৰ সৈতে ভাল দৰে কথা-বতৰা পাতে আৰু তেওঁলোকে নিয়মীয়া যোগাযোগত থাকিবলৈ সন্মতি প্ৰকাশ কৰে। সমাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে তেওঁ আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ’ৰ সৈতে এক সৌহাৰ্দ্যপূৰ্ণ কথা-বতৰাৰ সামৰণি মাৰিলে। তেঁওলোকে বাণিজ্য, জটিল খনিজ, পাৰমাণৱিক সহযোগিতা, প্ৰতিৰক্ষা আৰু শক্তিৰ বিষয়ে আলোচনা কৰে। তেওঁ কয়, দুয়োৱে এইবোৰ আৰু অন্যান্য বিষয়ত যোগাযোগ ৰাখিবলৈও সন্মত হৈছে।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে। মকৰ সংক্ৰান্তি শীত ঋতুৰ সমাপ্তি আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ প্ৰতিক। দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন নামেৰে এই উৎসৱ পালন কৰা হয়। অসমত ভোগালী বিহু, তামিলনাডুত পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে এই উৎসৱ পালন কৰা হয়।

অসমতো আজি বাপতি সাহোন ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভোগালী বিহু উপলক্ষে আজি জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মেজিৰ উত্তাপে সমাজৰ সকলো অশুভ শক্তি নাশ কৰিব বুলি তেওঁ কামনা কৰে।

তামিলনাডুত মাৰ্গজী মাহৰ অন্তিম দিনৰূপে উদযাপিত ভোগী পৰ্ব উলহ-মালহেৰে পালন কৰা হয়। পৰম্পৰা অনুসৰি লোকসকলে ঘৰখনৰ পুৰণি সামগ্ৰীবোৰ উলিয়াই সেইসমূহ আহুতি দিয়াৰ লগতে সকলোৱে নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি ৰঙেৰে সজাই তোলে। তেলেংগানাতো মকৰ সংক্ৰান্তিৰ তিনিদিনীয়া উৎসৱৰ আজি ভোগী উদযাপনেৰে আৰম্ভ হৈছে। ইপিনে হায়দৰাবাদত উৎসৱৰ এই বতৰত ৰং-বিৰঙী চিলাই পৰিৱেশ অধিক ৰঙীন কৰি তুলিছে। ২০ খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে চেকেণ্ডৰাবাদৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত তেলেংগানা আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱক লৈ অঞ্চলটোত এতিয়া উখল-মাখল পৰিৱেশ।

০০০০০

কমনৱেলথৰ অধ্যক্ষ আৰু প্ৰিজাইডিং অফিচাৰ (চি এছ পি অ’ চি)ৰ ২৮ সংখ্যক অধিৱেশন আজি নতুন দিল্লীত আৰম্ভ হ’ব। তিনিদিনীয়া এই সন্মিলনত ৬০ খনতকৈও অধিক কমনৱেলথ দেশ আৰু অৰ্ধস্বায়ত্তশাসিত সংসদৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াসকলক একত্ৰিত কৰিব। এই সন্মিলনৰ লক্ষ্য হৈছে সংসদীয় গণতন্ত্ৰৰ বিভিন্ন ৰূপত জ্ঞান আৰু বুজাবুজিৰ প্ৰসাৰ আৰু সংসদীয় প্ৰতিষ্ঠানসমূহৰ বিকাশ। লোকসভাৰ অধ্যক্ষ ওম বিৰলা এই সন্মিলনত অধ্যক্ষতা কৰিব।

আজি প্ৰথম দিনাই ষ্টেণ্ডিং সমিতিৰ বৈঠক অনুষ্ঠিত হ’ব। ২৮ সংক্ষ্যক চি এছ পি অ’ চিৰ অধ্যক্ষ হিচাপে শ্ৰী বিৰলাই চি এছ পি অ’ চিৰ এই বৈঠকৰ অধ্যক্ষতা কৰিব। কাইলৈ সংবিধান সদনৰ ঐতিহাসিক চেণ্ট্ৰেল হলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলন উদ্বোধন

কৰিব। শ্ৰী মোদীয়ে কমনৱেলথ আৰু স্বায়ত্তশাসিত সংসদৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াসকলৰ সৈতে অনানুষ্ঠানিকভাৱে মত বিনিময় কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত দশম সশস্ত্ৰ বাহিনীৰ প্ৰবীন দিৱসত অংশ ল'ব। আজি দেশৰ ৩৪ খন ৰাজ্য আৰু ৪৩৪ খন জিলা সৈনিক ব'ৰ্ডত এই দিৱস উদযাপন কৰা হ'ব। ১৯৫৩ চনৰ ১৪ জানুৱাৰীৰ দিনটোত অৱসৰ গ্ৰহণ কৰা ভাৰতীয় সেনা বাহিনীৰ প্ৰথম কামাণ্ডাৰ ইন চীফ মাৰ্শ্বেল কে এম কাৰিয়াপ্পাৰ সেৱাক সন্মান যাঁচি এই দিৱস উদযাপন হৈ আহিছে। ভাৰতীয় সেনাৰ ইতিহাসত স্থাপন কৰা সেৱা, শৃংখলা আৰু দেশভক্তিৰ বাবে বিষয়াগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

০০০০০

কেৰালাত মকৰা সংক্ৰাম নিশাৰ লগত সংগতি ৰাখি আজি সবৰীমালা মন্দিৰত মকৰা বিলাক্কু উৎসৱ উদযাপন কৰা হ'ব, য'ত ভক্তসকলে পোন্নামবালামেডুত মাকাৰাজ্যোথিৰ আবিৰ্ভাৱৰ সাক্ষী হ'ব। এই উৎসৱৰ উদযাপনৰ অংশ হিচাপে ভগৱান আয়্যাপ্পাৰ পবিত্ৰ অলংকাৰ তিৰুৱাভাৰনমৰ সৈতে শোভাযাত্ৰাকে ধৰি বিভিন্ন পৰম্পৰাগত অনুষ্ঠান অনুষ্ঠিত হ'ব।

ইতিমধ্যে সহস্ৰাধিক  তীৰ্থযাত্ৰী মন্দিৰ চৌহদত উপস্থিত হৈ বিভিন্ন স্থানত শিবিৰত আছে। সান্নিধনম আৰু মাকাৰাজ্যোথি নিৰীক্ষণ স্থানত নিৰাপত্তা কটকটীয়া কৰা হৈছে, য'ত কিছু নিৰ্দিষ্ট সময়ত তীৰ্থযাত্ৰীৰ যাতায়তৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আজি ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে মাত্ৰ ৩০ হাজাৰ তীৰ্থযাত্ৰীকহে মন্দিৰ দৰ্শন কৰাৰ অনুমতি দিয়া হ'ব।

০০০০০

ভাৰতে জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত অভূতপূৰ্ব সফলতা লাভ কৰাৰ বিষয়টোৱে দেশৰ বাবে বিশেষ সুযোগ প্ৰদান কৰিছে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। গান্ধীনগৰ জিলাৰ পেঠাপুৰত কালি গুজৰাট বায়'টেকন'লজি ৰিচাৰ্ছ চেণ্টাৰৰ বি এছ্ এল - ৪ বায়'কণ্টেইনমেণ্ট ফেচিলিটী উদ্বোধন কৰি শ্ৰীশ্বাহে এনেদৰে কয়। তেওঁ লগতে কয়, যে ২০১৪ চনত ভাৰতৰ জৈৱ অৰ্থনীতি ১০ বিলিয়ন ডলাৰ থকাৰ বিপৰীতে ২০২৪ চনৰ শেষলৈ এই পৰিমাণ ১৬৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়।

০০০০০

শক্তিশালী আৰু সুৰক্ষিত ভাৰত গঢ় দিয়াত যুৱ প্ৰজন্মৰ সক্ৰিয় অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ বুলি চীফ অৱ ডিফেন্স ষ্টাফ অনিল চৌহানে মন্তব্য কৰিছে। নতুন দিল্লীত অনুষ্ঠিত এন চি চিৰ গণৰাজ্য দিৱসৰ কেম্প-২০২৬ৰ অনুষ্ঠানত কালি ভাষণ প্ৰদান কৰি শ্ৰীচৌহানে লগতে যুৱক-যুৱতীসকলক ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে জাতীয়তাবাদৰ মনোভাৱেৰে নিজৰ পথ আৰু লক্ষ্য নিৰ্ধাৰণ কৰি ল'বলৈ আহ্বান জনায়। জাতীয় মূল্যবোধ আৰু দায়ৱদ্ধতাৰ দ্বাৰা পৰিচালিত সঠিক পথ বাছি ল'লে কেডেটসকলে জাতিৰ উন্নয়নৰ দিশত অৰিহণা যোগোৱাৰ লগতে নিজৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ হ'ব বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট মুম্বাই আৰু ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰৰ সহযোগত ১৯ জানুৱাৰীত ৱৰ্ল্ড ইনটেলেকচুৱেল ফাউণ্ডেশ্যনে দায়বদ্ধ ৰাষ্ট্ৰ সূচকাংক আৰম্ভ কৰিব। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন

কৰি ফাউণ্ডেশ্যনৰ অধ্যক্ষ অধ্যাপক জগদীশ মুখীয়ে কয় যে প্ৰাক্তন ৰাষ্ট্ৰপতি ইণ্ডিয়া নাথ কোবিন্দৰ উপস্থিতিত দায়বদ্ধ ৰাষ্ট্ৰ সূচকাংক মুকলি কৰা হ'ব।

সূচকাংকটো তিনিটা মূলকেন্দ্ৰ - নাগৰিকৰ মৰ্যাদা, ন্যায় আৰু মংগলৰ ওপৰত গুৰুত্ব আৰোপ কৰা আভ্যন্তৰীণ দায়বদ্ধতা, প্ৰাকৃতিক সম্পদ আৰু জলবায়ুৰ কাৰ্য্যৰ পৰিচালনাক সামৰি লোৱা পৰিৱেশৰ দায়িত্ব, আৰু শান্তি, সহযোগিতা আৰু বিশ্ব স্থিতিশীলতাৰ ক্ষেত্ৰত এখন দেশৰ অৱদান জুখিব পৰা বাহ্যিক দায়বদ্ধতা।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত দিনৰ ডেৰ বজাত অনুষ্ঠিত হ'ব। যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পৰৱৰ্তী তথা চূড়ান্ত খেলখন অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা নবী মুম্বাইত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত খেলখনত দলটোৱে ১৯৩ ৰানৰ বিজয় লক্ষ্য ১৯ অভাৰত আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই অতিক্ৰম কৰে। মুম্বাইৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৭১ ৰান কৰে। কৌৰলৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯২ ৰান কৰিছিল। জৰ্জিয়া ৱেৰহামে সৰ্বাধিক ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।

ooooo

সমাপ্ত